**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------------------------------

১। বৃন্দাবনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আজি লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰৰ সম্ভাৱনা।

২। আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। ৰাজ্য চৰকাৰৰ লগতে বিভিন্ন সংগঠনৰ উদ্যোগত প্ৰেছ দিৱসৰ কাৰ্যসূচী।

৩। ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ অনলাইন আবেদনৰ সময়সীমা বৃদ্ধি।

৪। বড়ো সাহিত্য সভাৰ আজি প্ৰতিষ্ঠা দিৱস উপলক্ষে বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন। *আৰু*

৫। ইডেন গাৰ্ডেনছ্ টেষ্টত ভাৰত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শক্তিশালী স্থিতিত। অসম পিটছ্ৰ বাবে খেলখন তিনি দিনতে সমাপ্ত হোৱাৰ সম্ভাৱনা।

০০০০০০

অসমৰ চহকী ইতিহাস সমৃদ্ধ বৃন্দাবনী বস্ত্ৰ অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত আজি লণ্ডনৰ সংগ্ৰহালয়ৰ কৰ্তৃপক্ষ আৰু অসম চৰকাৰৰ মাজত এখন বুজাবুজিৰ চুক্তিও স্বাক্ষৰ হোৱাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা কালি লণ্ডনলৈ বুলি ৰাওনা হোৱাৰ পূৰ্বে ফে'চবুক লাইভ যোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে এই চুক্তি সফল হ'লে ৫০০ বছৰ কাল প্ৰজন্মৰ পাছত প্ৰজন্ম বঞ্চিত হৈ থকা ৰাজ্যৰ জনসাধাৰণে স্বচক্ষুৰে ঐতিহ্যপূৰ্ণ বৃন্দাৱনী বস্ত্ৰখন প্ৰত্যক্ষ কৰিব পাৰিব। লণ্ডনৰ সংগ্ৰহালয়ত থকা এই আপুৰুগীয়া বস্ত্ৰ ২০২৭ চনত ছমাহৰ বাবে অসমলৈ প্ৰদৰ্শনৰ বাবে অনা সন্দৰ্ভত ইতিমধ্যে ইংলেণ্ডৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে আলোচনা কৰা হৈছিল। এই অনুসৰি এই বস্ত্ৰভাগ গুৱাহাটীলৈ আনি খানাপাৰাত সংগ্ৰহালয়ত বিশেষভাৱে সংৰক্ষিত কৰি ৰখাৰ ব্যৱস্থা কৰা হ'ব আৰু ইয়াৰ বাবে ভূমিও আৱণ্টন দিয়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। অসমত প্ৰদৰ্শন হোৱাৰ পাছত দিল্লী, মুম্বাই আদিতো বস্ত্ৰখন প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব।

০০০০০০

আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। ভাৰতীয় প্ৰেছ কাউন্সিলৰ প্ৰতিষ্ঠাৰ উদযাপনৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বিশ্বজুৰি সাংবাদিকসকলৰ ভূমিকা সম্পৰ্কে সজাগ, সচেতন কৰাৰ বাবে এই দিৱস উদযাপন কৰা হয়। এইবাৰৰ প্ৰেছ দিৱসৰ মূল বিষয় হৈছে নতুন সাহসি বিশ্বত সাংবাদিকতা-সংবাদ মাধ্যমৰ স্বাধীনতা আৰু গণ মাধ্যমৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত স্বাধীন, দায়িত্বশীল আৰু নিৰ্ভিক সংবাদমাধ্যম গণতন্ত্ৰৰ অন্যতম মুখ্য স্তম্ভ হিচাপে পৰিগণিত হৈ আহিছে বুলি উল্লেখ কৰে। তেওঁ প্ৰেছ দিৱস উপলক্ষে সততা, নৈতিকতা আৰু জনসাধাৰণৰ আস্থা অটুট ৰাখি প্ৰকৃত তথ্যৰে ৰাইজক সজাগ আৰু শক্তিশালী কৰি তোলা সংবাদ কৰ্মীসকলক অভিনন্দন জ্ঞাপন কৰিছে। অসমতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ লোক নিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত ৰাজ্যিক ভিত্তিত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। গুৱাহাটী ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হেমন্ত বৰা-

**(বাইট ঃ হেমন্ত)**

প্ৰেছ্ দিৱসৰ সৈতে সংগতি ৰাখি আজি গুৱাহাটী প্ৰেছ্ ক্লাবে চাৰিগৰাকী প্ৰবীন সাংবাদিক প্ৰেমধৰ শৰ্মা, হায়দৰ হুছেইন, ধীৰেন্দ্ৰ নাথ বেজবৰুৱা আৰু কনক সেন ডেকাক নিজ বাসগৃহত সম্বৰ্ধনা জ্ঞাপন কৰিব।

দৰং জিলাতো আজি ৰাষ্ট্ৰীয় প্ৰেছ্ দিৱসৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসন আৰু তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত দিনৰ চাৰে ১০ বজাৰ পৰা এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত কেইবাগৰাকীও সাংবাদিকক সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় প্ৰেছ্ দিৱস উপলক্ষে আজি শিৱসাগৰ জিলাত দুটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা সাংবাদিক সন্থাই চিত্ৰাংকণ প্ৰতিযোগিতা আৰু শিৱসাগৰ প্ৰেছ্ ক্লাবে প্ৰয়াত সংবাদিকসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।

তিনিচুকীয়া জিলাতো বিভিন্ন কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ্ দিৱস অনুষ্ঠিত হ'ব। জাৰ্নেলিষ্ট ইউনিয়ন অব আছামৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত বাৰেকুৰিত দিনজোৰা কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আলোচনাৰ অনুষ্ঠান, সাংবাদিক আৰু উদ্যমী খেতিয়কক সম্বৰ্ধনা আৰু মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত প্ৰেছ্ দিৱসৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষানো উপলস্থিত থাকিব। এই কাৰ্যসূচীত জ্যেষ্ঠ সাংবাদিক, লেখক অমূল্য খাটনিয়াৰে ভুল তথ্যৰ বৰ্ধিত সৰবৰাহৰ মাজত সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা ৰক্ষাৰ বিষয়ত বক্তৃতা আগবঢ়াব।

০০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৬ৰ অনলাইন আবেদনৰ সময়সীমা পুনৰ বৃদ্ধি কৰা হৈছে। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি এটা নিৰ্দেশনাযোগে এইকথা প্ৰকাশ কৰিছে। অনলাইন আবেদনৰ বাবে কাইলৈৰ পৰা অহা ২০ নৱেম্বৰলৈ নিৰ্দিষ্ট পোৰ্টেল মুকলি কৰি দিয়া হ'ব। শিক্ষাৰ্থীসকলে ২১ নৱেম্বৰ পৰ্যন্ত মাছুল আদায় দিব পাৰিব। প্ৰ-পত্ৰ পূৰণৰ কাম সম্পূৰ্ণ নকৰা সকলো শিক্ষানুষ্ঠানকে নিৰ্ধাৰিত সময়ৰ ভিতৰত এই প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনাটোত কোৱা হৈছে। পৰৱৰ্তী সময়ত কোনো ধৰণৰ পৰিস্থিতিতে প্ৰ-পত্ৰ পূৰণৰ সময়সীমা বৃদ্ধি কৰা নহয় বুলি নিৰ্দেশনাটোত স্পষ্ট কৰি দিয়া হৈছে।

০০০০০০

ৰাজ্যৰ শিক্ষা বিভাগে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ ৪ হাজাৰ ৫০০টা খালী শিক্ষক পদত অচিৰেই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব। এই ক্ষেত্ৰত প্ৰাথমিক শিক্ষা সঞ্চালক সুৰঞ্জনা সেনাপতিয়ে ইতিমধ্যে শিক্ষক পদৰ বাবে পূৰ্বে অনুষ্ঠিত পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণৰ কাম কাইলৈ আৰম্ভ কৰিব বুলি প্ৰকাশ কৰে। উল্লেখযোগ্য যে নিম্ন প্ৰাথমিকত দুহেজাৰ ৯০০ আৰু উচ্চ প্ৰাথমিকত এহেজাৰ ৬০০ পদৰ বাবে চলিত বৰ্ষৰ জানুৱাৰীত বিজ্ঞাপন প্ৰকাশ পাইছিল। ৪২ হাজাৰ প্ৰাৰ্থীয়ে আবেদন কৰাৰ পাছত ৪ হাজাৰ ৫০০ পদৰ বিপৰীতে পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থী বাছনি কৰা হৈছিল। প্ৰাথমিক শিক্ষা সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰা মতে প্ৰথমে দিব্যাংগ প্ৰাৰ্থীসকলৰ বাবে সংৰক্ষিত ৪০২টা পদৰ বিপৰীতে উত্তীৰ্ণ প্ৰাৰ্থীৰ নথি পৰীক্ষণৰ কাম আৰম্ভ হ'ব। ইয়াৰ পাছতে অন্যান্য প্ৰাৰ্থীসকলৰ নথি পৰীক্ষণ কৰা হ'ব। চলিত মাহতে আনুষ্ঠানিকভাৱে প্ৰাথমিক শিক্ষকৰ নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছিল। সেই অনুসৰি প্ৰাৰ্থীৰ নথি পৰীক্ষণৰ কাম ক্ষিপ্ৰতাৰে আগুৱাই নিয়াৰ বাবে শিক্ষা বিভাগে তৎপৰতা চলাইছে। চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ পৰা স্নাতক আৰু স্নাতকোত্তৰ পদৰ বাবে বাছনি লাভ কৰা প্ৰাৰ্থীসকলক অহা ২০ নৱেম্বৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব।

০০০০০০

বড়ো সাহিত্য সভাৰ আজি ৭৪ সংখ্যক প্ৰতিষ্ঠা দিৱস। এই উপলক্ষে বিটিআৰৰ জিলাকেইখনত বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠাৰ দিনটোত সভাৰ পূৰ্বৰ কাণ্ডাৰীসকলক শ্ৰদ্ধাৰে স্মৰণ কৰাৰ লগতে সকলোকে অভিনন্দন জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমযোগে কয়, যে ৰাজ্যৰ সাহিত্য-সংস্কৃতিৰ বৰ্ণিল জগতখনত বড়ো সাহিত্য সভাৰ বিশেষ অৱদান আছে। তেওঁ কয়, যে জন্মলগ্নৰে পৰা বড়ো সাহিত্য সভাই চহকী বড়ো ভাষাৰ উত্তৰণ আৰু প্ৰসাৰৰ বাবে ভালেমান পদক্ষেপ লৈছে। বড়ো সাহিত্য সভাই সাংস্কৃতিক দিশতো উল্লেখনীয় কাম কৰিছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বড়ো সাহিত্য সভাই ভিন ভিন ভাষাৰ সৈতে বড়ো ভাষাক সাঁকোৰ দৰে গাঁঠি লোৱাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

০০০০০০

জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে অহা ১৮ নৱেম্বৰত ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী লোৱা হ'ব। এই উপলক্ষে ৰাজ্যৰ ৫৩ টা স্থানত ৰক্তদান শিবিৰ অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কালি ফে'চবুক লাইভযোগে প্ৰকাশ কৰে। তেঁও কয় যে প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা আৰু মৰমৰ চিনস্বৰূপে এই পদক্ষেপ গ্ৰহণ কৰা হ'ব। বিটিআৰ প্ৰশাসনে প্ৰিয় শিল্পীগৰাকীৰ জন্মদিন উপলক্ষে বিস্তৃত কাৰ্যসূচী গ্ৰহণ কৰিছে। এই উপলক্ষে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা কাইলৈ বিটিআৰৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে স্থাপন কৰিব। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিআৰৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে অসমীয়া আৰু বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰিব। এই অনুষ্ঠান সন্দৰ্ভত বিটিআৰ প্ৰশাসনৰ সূত্ৰই এইদৰে প্ৰকাশ কৰে।

**(বাইট)**

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ওপজা দিনটো পালনৰ বাবে অনুৰাগীসকল সাজু হৈছে। কায়িক বিচ্ছেদৰ যন্ত্ৰনা নেওচি তেওঁলোকে শিল্পীগৰাকীৰ গীতেৰে তেওঁলৈ শ্ৰদ্ধাঞ্জলি দিব। শিৱসাগৰত মিউজিকেল ছোচাইটি অৱ শিৱসাগৰ আৰু শিৱসাগৰবাসী ৰাইজৰ উদ্যোগত শিল্পী সমাজে প্ৰাণৰ শিল্পীলৈ শ্ৰদ্ধা নিবেদন কৰিব। এই উপলক্ষে শিৱসাগৰ বোৰ্ডিং খেলপথাৰত বিয়লি ৪ বজাত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীতেৰে তেওঁক শ্ৰদ্ধাঞ্জলি জনোৱাৰ বাবে ৰাজ্যখনৰ প্ৰায় ৩০০ শিল্পী অহা ১৯ নৱেম্বৰৰ সন্ধিয়া গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত সমবেত হ'ব। বিয়লি ৫ বজাৰ পৰা হ'বলগীয়া এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ২০০তকৈ অধিক কণ্ঠশিল্পী আৰু ৭০গৰাকীৰো অধিক বাদ্যযন্ত্ৰীয়ে ৮গৰাকী সংগীত পৰিচালকৰ তত্বাৱধানত জুবিন গাৰ্গৰ দুকুৰি গীত পৰিৱেশন কৰিব। দৰ্শকসকলে এই অনুষ্ঠান বিনামূলীয়াকৈ উপভোগ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

০০০০০০

সামাজিক মাধ্যমৰ অত্যাধিক ব্যৱহাৰ মাদক দ্ৰব্যৰ আসক্তিৰ দৰে মাৰাত্মক হব পাৰে। সামাজিক মাধ্যমৰ প্ৰতি অধিক আসক্তিৰ ফলত মানসিক অস্থিৰতাত ভোগাৰ সম্ভাৱনা থাকে। আকাশবাণী গুৱাহাটীৰ কালিৰ দৃষ্টিপাত অনুষ্ঠানত বিশিষ্ট মনোৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দাসে এইদৰে মন্তব্য কৰে। সাম্প্ৰতিক সময়ত ৰাজনীতিক, পৰীক্ষাৰ্থী, অভিভাৱকে ধৰি বিভিন্ন শ্ৰেণীৰ লোকৰ মানসিক চাপ বৃদ্ধি সন্দৰ্ভতো তেওঁ আলোকপাত কৰে। সকলো ধৰণৰ মানসিক ৰোগ জন্মগত নহয় আৰু ৯০ শতাংশ মানসিক ৰোগ চিকিৎসাৰ দ্বাৰা নিৰাময় হয় বুলি তেওঁ উল্লেখ কৰে। তদুপৰি ১৫ বছৰ বয়সৰ আগেয়ে আৰু ২৪ বছৰ বয়সৰ আগেয়ে অধিকাংস ল'ৰা-ছোৱালীৰ মানসিক সমস্যাৰ সৃষ্টি হয় বুলি উল্লেখ কৰি এই ক্ষেত্ৰত অভিভাৱকক গুৰুত্ব দিবলৈ তেওঁ আহ্বান জনায়।

**(বাইট ঃ জয়ন্ত দাস)**

এই মানসিক চাপ নিয়ন্ত্ৰণ কৰাৰ পদ্ধতিসমূহৰ বিষয়েও ডাঃ দাসে মন্তব্য কৰে।

০০০০০০

দিল্লীত সংঘটিত বোমা বিস্ফোৰণৰ পাছত ইয়াৰ প্ৰতি সমৰ্থন জনাই সামাজিক মাধ্যমযোগে আপত্তিজনক মন্তব্য কৰাৰ অভিযোগত ৰাজ্যত গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা ২১ লৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰিছে। তেওঁ লগতে আৰক্ষীয়ে আগলৈয়ো এই অভিযান চলাই যাব বুলি প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে মাজত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত শক্তিশালী স্থিতিত উপনীত হৈছে। খেলখন অ-সম পিটছৰ বাবে তিনি দিনতে সমাপ্তিৰ দিশে গতি কৰিছে। দক্ষিণ আফ্ৰিকাই কালি  খেলৰ দ্বিতীয় দিনা দ্বিতীয় ইনিংছ আৰম্ভ কৰি ৰবীন্দ্ৰ জাদেজাৰ বলিং আক্ৰমণৰ সন্মুখত এটাৰ পাছত আন এটা উইকেট হেৰুৱায়। দলটোৱে দিনান্তলৈ দ্বিতীয় ইনিংছত ৭ টা উইকেটৰ বিনিময়ত ৯৩ ৰান সংগ্ৰহ কৰে। খেলৰ সামৰণি পৰত টেম্বা বাবুমাই ২৯ আৰু কৰ্বিন বছে ১ ৰান কৰি খেলি আছিল। দক্ষিণ আফ্ৰিকা ভাৰতৰ প্ৰথম ইনিংছতকৈ ৬৩ ৰাণত আগবাঢ়ি আছে। ভাৰতৰ হৈ ৰবীন্দ্ৰ  জাদেজাই ৪টা উইকেট দখল কৰে।

ইয়াৰ পূৰ্বে ভাৰতে কালি ১৮৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৩৯ ৰাণ কৰে। ৱাশ্বিংটন সুন্দৰে ২৯ ৰানৰ বৰঙণি আগবঢ়ায়। ইয়াৰ আগেয়ে দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱা ১৫৯ ৰান সংগ্ৰহ কৰে।

০০০০০০

জম্মু-কাশ্মীৰৰ আৰক্ষী থানাত হোৱা বিস্ফোৰণৰ ঘটনা, বৃন্দাবনী বস্ত্ৰ অসমলৈ অনাৰ বাবে হ'বলগীয়া বুজাবুজিৰ চুক্তি আৰু কোকৰাঝাৰৰ ৩০ বিঘা ভূমিত নিৰ্মাণ হ'ব জুবিন গাৰ্গ উদ্যান আদি বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত স্থান লাভ কৰিছে।

সন্ত্ৰাসবাদীৰ পৰা উদ্ধাৰ কৰা বিস্ফোৰক পৰীক্ষণৰ সময়ত শ্ৰীনগৰ আৰক্ষী থানাত শেহতীয়াকৈ হোৱা বিস্ফোৰণত ৯ গৰাকী লোক নিহত হয়। এই বাতৰি অন্যান্য বাতৰি কাকতৰ লগতে দি আছাম টিব্ৰিউন কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

ছটা জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত উজনি অসমত চৰকাৰৰ বিৰুদ্ধে ধাৰাবাহিক প্ৰতিবাদ অব্যাহত আছে। এই প্ৰতিবাদৰ অংশ হিচাপে কালি সদৌ টাই আহোম ছাত্ৰ সন্থাই শিৱসাগৰ চহৰত জোঁৰ সমদল উলিওৱাৰ বাতৰি অসমীয়া প্ৰতিদিন কাকতে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

আমেৰিকাত চকলেট, বিস্কুট প্ৰস্তুত কৰিবলৈ অসমৰ খেতিয়কে ৩০ টন ৰঙা বাওধান দেশখনলৈ ৰপ্তানী কৰিব। এই আশাব্যঞ্জক বাতৰি দৈনিক অসম কাকতৰ।

গুৰুজনাৰ সৃষ্ট বৃন্দাবনী বস্ত্ৰভাগ অসমলৈ অনাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তৎপৰতা গ্ৰহণ কৰিছে। এই উদ্দেশ্যে লণ্ডনৰ ভিক্টৰীয়া আৰু এলবাৰ্ট সংগ্ৰহালয়ৰ সৈতে হ'বলগীয়া  বুজাবুজিৰ চুক্তি চূড়ান্ত কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকী লণ্ডনত উপস্থিত হৈছে। এই বাতৰি দা ছেণ্টিনেল কাকতৰ।

বিহাৰৰ নিৰ্বাচনী প্ৰচাৰত দলীয় সমন্বয়ৰ অভাৱ, বিৰোধীৰ বিপৰ্যয়ৰ অন্যতম কাৰণ ৰূপে চৰ্চিত হৈছে। এই বাতৰি দৈনিক অগ্ৰদূত কাকতে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে এটা নিৰ্দেশযোগে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত, ডিটিঅ'সহ ৰাজ্যৰ প্ৰশাসনত কেইবাগৰাকী বিষয়াৰ বদ-বদল কৰিছে। এই বাতৰি আমাৰ অসম কাকতৰ।

কোকৰাঝাৰৰ ৩০ বিঘা ভূমিত নিৰ্মাণ হ'ব জুবিন গাৰ্গ উদ্যান। এই বাতৰি অসমীয়া খবৰ কাকতে প্ৰকাশ কৰিছে। এই বাতৰি প্ৰকাশ কৰি নিয়মীয়া বাৰ্তা কাকতৰ শিৰোনাম **গৌৰাঙৰ পাৰত ২৫ হাজাৰে অসমীয়া-বড়ো ভাষাত গাব মায়াবিনী।**

আহক আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পৰৱৰ্তী সময়ত ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৮ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত ত্ৰিপুৰা, মণিপুৰ, মিজোৰাম, অৰুণাচল, অসম, মেঘালয় আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

oooooo

সমাপ্ত